**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-11-2024
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। অসমীয়াৰ লগতে ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰ সন্দৰ্ভত আলোচনাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত কাইলৈৰ পৰা ভাষা গৌৰৱ সপ্তাহ উদযাপন।

২। প্ৰতিথযথা শিল্পী, অভিনেতা, পৰিচালক আৰু নাট্যকাৰ কুলদা কুমাৰ ভট্টাচাৰ্যৰ কালি ৯১ বছৰ বয়সত দেহাৱসান।

৩। ৰাজ্য চৰকাৰৰ অধীনস্থ কৰ্মচাৰীসকললৈ মাতৃ-পিতৃ বন্দনা যোজনাৰ অধীনত অহা ৬ আৰু ৮ নৱেম্বৰত বিশেষ নৈমিত্তিক ছুটি।   **আৰু**

৪। ভাৰতৰ নিউজিলেণ্ডৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিম খন খেলৰ আজি দ্বিতীয় দিনা ৮৬ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ।

০০০০০০

অসমীয়াৰ লগতে ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰ সন্দৰ্ভত আলোচনাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত কাইলৈৰ পৰা ৯ নৱেম্বৰলৈকে ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হ'ব। অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ বিৰল স্বীকৃতিক প্ৰতিজন অসমীয়াৰ ওচৰলৈ নিয়াৰ লক্ষ্যৰে প্ৰথমবাৰৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই সময়ছোৱাত ভাষা বিষয়ক বিভিন্ন কৰ্মসূচীও গ্ৰহণ কৰা হ'ব। ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ ভিতৰত আছে- চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপন, প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণ আৰু অসমীয়াৰ উপৰি ৰাজ্যৰ অন্যান্য সৰু-বৰ ভাষাৰ বিকাশ-বিৱৰ্তন সন্দৰ্ভত তথ্যপূৰ্ণ আলোচনা। ভাষা গৌৰৱ সপ্তাহৰ এটা প্ৰধান কাৰ্যসূচী হিচাপে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰা হ'ব। এই সপ্তাহ উদযাপনৰ লগত সংগতি ৰাখি অসমীয়াকে ধৰি ৰাজ্যৰ ১৪ টা ভাষাত শৈক্ষিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

কাইলৈ গুৱাহাটীত ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ মূল কাৰ্যসূচীৰ আৰম্ভণি হ'ব। এই উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকিব। ৰাজ্য চৰকাৰৰ আন আন মন্ত্ৰীসকল বিভিন্ন জিলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ৪ নৱেম্বৰৰ পৰা ৰাজ্যৰ বিদ্যালয়, মহাবিদ্যালয় আৰু বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানে নিজাববীয়াকৈ ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ কাৰ্যসূচী গ্ৰহণ কৰিব।

০০০০০০

প্ৰতিথযথা শিল্পী, অভিনেতা, পৰিচালক আৰু নাট্যকাৰ কুলদা কুমাৰ ভট্টাচাৰ্যৰ কালি ৯১ বছৰ বয়সত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। তেওঁ যোৱা কেইবাদিনো ধৰি চিকিৎসাধীন হৈ আছিল। অসমৰ চলচ্চিত্ৰ তথা নাট্য ক্ষেত্ৰলৈ অনবদ্য বৰঙণি আগবঢ়াই যোৱা ভট্টাচাৰ্যই গুৱাহাটী অনাতাঁৰ কেন্দ্ৰযোগে প্ৰচাৰিত নাট পৰশুৰামৰ অভিনয়ৰ জৰিয়তে জনপ্ৰিয়তা অৰ্জন কৰিছিল। একাধাৰে অভিনেতা, পৰিচালক তথা অনাতাঁৰশিল্পী কুলদা কুমাৰ ভট্টাচাৰ্যৰ ১৯৩৩ চনৰ ১৮ আগষ্টত গুৱাহাটীত জন্ম হৈছিল। কালিপ্ৰসন্ন ভট্টাচাৰ্য আৰু কমলা দেৱীৰ তৃতীয় সন্তান কুলদা কুমাৰ ভট্টাচাৰ্যই ১৯৪৬ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত কটন কলেজৰ পৰা স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। পাছত তেওঁ লণ্ডন আৰু জাৰ্মানীত মঞ্চকলা, অভিনয় আৰু টেলিভিছন বিষয়তো শিক্ষাগ্ৰহণ কৰিছিল। ১৯৬২ চনত ভট্টাচাৰ্যই আকাশবাণী গুৱাহাটীৰ নাট শাখাৰ কাৰ্যবাহী প্ৰযোজক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। তেওঁ লগতে ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠান চমুকৈ জ্যোতিচিত্ৰবনৰ প্ৰতিষ্ঠাপক সঞ্চালকো আছিল। তেওঁ **আহাৰ, ৰক্তকৰবী, শ্ৰীনিবাৰণ ভট্টাচাৰ্য, নতুন ইহুদি** আদিত অভিনয় কৰাৰ লগতে **মাটিৰ গাড়ী, সৰাগুৰি চাপৰি, বাঘজাল, অথেল'** আদি নাট পৰিচালনা কৰিছে। ৩৫ খনতকৈ অধিক তথ্যচিত্ৰ আৰু চুটি ছবি নিৰ্মাণ কৰা ভট্টাচাৰ্যই শ্ৰেষ্ঠ ধাৰাভাষ্যকাৰৰ ৰাষ্ট্ৰীয় চলচিত্ৰ বঁটাৰ লগতে বিভিন্ন বঁটা লাভ কৰিছে। এই সন্দৰ্ভত বিশিষ্ট নাট্যকৰ্মী নয়ন প্ৰসাদে কয় যে-

**বাইট**

আজি তেওঁৰ নশ্বৰদেহ সমলয় সূৰ্য্য ক্লাৱত শ্ৰদ্ধাঞ্জলি যাচিবৰ বাবে ৰখা হ'ব। গুণমুগ্ধসকলে দিনৰ চাৰে দহ বজাৰ পৰা এক বজালৈ তেওঁলৈ শ্ৰদ্ধা জ্ঞাপন কৰিব পাৰিব। ইয়াৰ পাছতেই ইলোৰা বিজ্ঞান মঞ্চই তেওঁৰ দেহ সংগ্ৰহ কৰিব। প্ৰয়াত শিল্পীগৰাকীয়ে ইলোৰা বিজ্ঞান মঞ্চলৈ তেওঁৰ দেহ দান কৰি গৈছে।

শিল্পীগৰাকীৰ বিয়োগত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী অশোক সিংহালৰ লগতে বিভিন্ন দল সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। বিশেষকৈ শাসকীয় বিজেপি, বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ চলাইছে। উল্লেখযোগ্য যে বিহালী বিধানসভা সমষ্টিত কালি বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পবিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক দিগন্ত কলিতাই বিভিন্ন স্থানত প্ৰচাৰ অভিযানত অংশ লয়। চামগুৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ কেবিনেট মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা বিমল বৰাই কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কাছাৰৰ ধলাই বিধানসভা সমষ্টিৰ লগতে চিৰাঙৰ ছিদলী সমষ্টিতো প্ৰাৰ্থী আৰু সমৰ্থকসকলে ব্যাপক প্ৰচাৰ চলাইছে। ইপিনে, বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহই ভোটাৰৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে।

০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱে'ই উৎসৱৰ বতৰত যাত্ৰীসকলৰ সুবিধাৰ বাবে ৪খন উৎসৱ বিশেষ ৰে'লগাড়ী চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই বিশেষ ৰে'লগাড়ী কেইখনে নিউ কোচবিহাৰ-শিয়ালদহ, কাটিহাৰ-উধনা, কাটিহাৰ-অমৃতসৰ আৰু কলকাতা-সহৰচাৰ মাজত চলাচল কৰিব। উত্তৰ-পূব সীমান্ত ৰে'লৱে'ৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল শৰ্মাই এই সন্দৰ্ভত এইদৰে কয়—

**(ৰাইট)**

ইপিনে ৰে'লৰ টিকটৰ আগতীয়া সংৰক্ষণৰ ক্ষেত্ৰত ৰে'ল বিভাগে প্ৰৱৰ্তন কৰা নিয়ম কালিৰে পৰা কাৰ্যকৰী হৈছে। এই নতুন নিয়ম অনুসৰি আগতীয়া আসন সংৰক্ষণৰ সময়সীমা পূৰ্বৰ ১২০ দিনৰ পৰিৱৰ্তে ৬০ দিনলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ ফলত টিকটৰ চোৰাং মজুতকৰণৰ সম্ভাৱনা হ্ৰাস হোৱাৰ লগতে যাত্ৰীসকলে সুবিধা লাভ কৰাটো নিশ্চিত হ'ব বুলি ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সংস্থাৰ উদ্যোগত অহা ৫ ৰ পৰা ১১ নৱেম্বৰলৈ দুলীয়াজানৰ বিহুতলীত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। এই গ্ৰন্থমেলাত অসমৰ ভালেমান আগশাৰীৰ প্ৰকাশন গোষ্ঠীৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ কেইবাটাও প্ৰকাশন গোষ্ঠীয়ে অংশগ্ৰহণ কৰিব। পৰিষদে জনোৱা অনুসৰি গ্ৰন্থমেলাৰ বাকৰিত ভিন ভিন সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচীও গ্ৰহণ কৰা হ'ব।

০০০০০০

অসম চৰকাৰৰ অধীনস্থ কৰ্মচাৰীসকলে মাতৃ-পিতৃ বন্দনা যোজনাৰ অধীনত অহা ৬ আৰু ৮ নৱেম্বৰত বিশেষ নৈমিত্তিক ছুটি লাভ কৰিব। এই  বিশেষ ছুটিত কৰ্মচাৰীসকলে ৭ নৱেম্বৰ-ষট পূজা, ৯ নৱেম্বৰ-মাহৰ দ্বিতীয়টো শনিবাৰ আৰু ১০ নৱেম্বৰ দেওবাৰকো সামৰি নিজৰ পিতৃ-মাতৃ তথা শাহু-শহুৰকো সেৱা শুশ্ৰুষা আগবঢ়াব পাৰিব। ইয়াৰ ওপৰিঞ্চিভাৱে শিক্ষা বিভাগৰ অধীনস্থ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে ৯ নৱেম্বৰত পিতৃ-মাতৃ বন্দনা যোজনাৰ আওতাত বিশেষ ছুটি প্ৰদান কৰা হৈছে।

০০০০০০

বিশিষ্ট সাহিত্যিক, ৰাজনীতিবিদ, অভিনেতা, নাট্যকাৰ তথা  পৰিচালক প্ৰয়াত লক্ষ্যধৰ চৌধুৰীৰ ওপজা দিনৰ সৈতে সংগতি ৰাখি আজি কিতাপৰ দিন উদ্‌যাপন কৰা হ'ব। গুৱাহাটীৰ উজানবজাৰত থকা কুমাৰ ভাস্কৰ নাট্য মন্দিৰত সন্ধিয়া ৬ বজাত আয়োজিত অনুষ্ঠানত সাংবাদিক নিত্য বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত লক্ষ্যধৰ চৌধুৰী ৰচিত মোৰ অভিনেতা জীৱনৰ কাহিনী আৰু ভগৱান শ্ৰীকৃষ্ণ আৰু অনুৰাধা দাস ৰচিত **জীৱনৰ বাটে ঘাটে** শীৰ্ষ গ্ৰন্থকেইখন উন্মোচন কৰা হ'ব।

০০০০০০

ডিফুৰ সমীপৰ তাৰালাংছ'ত কাৰ্বি আংলং জিলাৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উত্তৰ পূৰ্বাঞ্চল ষষ্ঠ অনুসূচী স্বায়ত্তশাসিত পৰিষদৰ সাংস্কৃতিক বিনিময় কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইতিমধ্যে ১৬ৰ পৰা ১৮ নৱেম্বৰলৈকে হ'বলগীয়া এই কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে আদৰণি সমিতিৰ ২৪টা কোষ গঠন কৰি বিভিন্ন দায়িত্ব অৰ্পণ কৰা হৈছে। সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত ১৯৯১ চনৰ ১৭ নৱেম্বৰত কাৰ্বি আংলং জিলা গঠন কৰা হৈছিল। এই সন্দৰ্ভত আমাৰ কাৰ্বি আংলঙৰ সংবাদদাতা কংবুৰা সিংনাৰে কয় -

**ভইচ কাষ্ট**

০০০০০০

ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি কাইলৈ দিনৰ ১০ বজাত **লুইতৰ পৰা মিছিচিপিলৈ** শীৰ্ষক অসম ভিত্তিক মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে এই প্ৰতিযোগিতা আয়োজন কৰিছে। ইপিনে,

একেদিনাই বিয়লি ২ বজাৰ পৰা বীৰেন্দ্ৰ নাথ দত্ত বিষয়ক **সাতোখন সুৰীয়া নৈ** শীৰ্ষক মুকলি কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সহযোগত ইনলি ফাউণ্ডেচনে এই প্ৰতিযোগিতাখন আয়োজন কৰিছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ ড° বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত দুয়োখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাতত অনুষ্ঠানত সতৰ্কতা সপ্তাহ সন্দৰ্ভত আলোচনা কৰা হ'ব। এই অনুষ্ঠানত তদাৰকী আৰু দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান সুৰেন্দ্ৰ কুমাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০

ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিম খন খেলৰ আজি দ্বিতীয় দিনা ৪ উইকেটৰ বিনিময়ত প্ৰথম দিনা সংগ্ৰহ কৰা ৮৬ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব। প্ৰথম দিনৰ খেলৰ সামৰণি পৰত কালি শুভমন গিলে ৩১ আৰু ঋষভ পন্তে ১ ৰাণ কৰি খেলি আছিল।

ইয়াৰ পূৰ্বে নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ২৩৫ ৰাণত প্ৰথম ইনিংছ সামৰে। নিউজিলেণ্ডৰ হৈ ডেৰিল মিচ্চেলে ৮২ আৰু উইল ইয়ঙে ৭১ ৰাণ কৰে। ভাৰতৰ হৈ স্পীনাৰ ৰবীন্দ্ৰ জাদেজাই পাঁচটা আৰু ৱাশ্বিংটন সুন্দৰে চাৰিটা উইকেট দখল কৰে। জাদেজাই কালিৰ প্ৰদৰ্শনৰ সুবাদত টেষ্ট  জাহিৰ খান আৰু ঈশান্ত শৰ্মাক চেৰ পেলাই ক্ৰিকেটৰ ইতিহাসত দেশৰ হৈ পঞ্চম সৰ্বাধিক উইকেট দখল কৰা বলাৰ হিচাপে পৰিগণিত হয়।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰায় আটাইকেইখনতে বিশিষ্ট অভিনেতা, পৰিচালক কুলদা কুমাৰ ভট্টাচাৰ্যৰ দেহাৱসানৰ বাতৰিটো ফটোসহ সবিস্তাৰে প্ৰকাশ হৈছে।

যোৱা ছমাহত বহু লাখ এম জি এনৰেগাৰ শ্ৰমিকৰ নাম প'ৰ্টেলৰ পৰা কৰ্তন কৰা হৈছে। এই বাতৰিটো দৈনিক অসম কাকতে **ভয়ংকৰ সংকটৰ দিশে গ্ৰামীন ভাৰত** শিৰোনামেৰে প্ৰকাশ কৰিছে।

অনলাইন ট্ৰেডিঙৰ অভিযুক্ত দিপাংকৰ বৰ্মনৰ ডি বি ষ্টকৰ কৰ্মীক আৰক্ষীয়ে জেৰা কৰা বাতৰিটো আমাৰ অসম কাকতে **ডি বি ষ্টকৰ কৰ্মীক পৃথকে পৃথকে জেৰা** শিৰোনামেৰে প্ৰকাশ কৰিছে।

উপ-নিৰ্বাচন হ'বলগীয়া চামগুৰি সমষ্টিত কালি পাঁচশৰো অধিক  ইমামে বিজেপিত যোগ দিয়ে। এই বাতৰিটো **পাঁচ শতাধিক ইমামৰ বিজেপিত যোগদান** শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

ধানৰ ন্যূনতম সমৰ্থিত মূল্য এম এছ পিৰ যোগেৰে ধান ক্ৰয়ৰ ক্ষেত্ৰত কৃষকসকলৰ সহযোগিতা আশানুৰূপ নহয়। এই সন্দৰ্ভত দৈনিক অগ্ৰদূত কাকতৰ বাতৰিৰ শিৰোনাম **মধ্যভোগী উৎসাতত ব্যৰ্থ যোগান বিভাগ**।

**মাতৃ-পিতৃ বন্দনাৰ বিশেষ ছুটীৰ মাজতে স্কুলে স্কুলে ভাষা গৌৰৱ সপ্তাহ পালনৰ নিৰ্দেশ** শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে চৰকাৰৰ এটা নিৰ্দেশনা সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

দীপাৱলীৰ নিশা খানাপাৰাত ভয়াবহ দুৰ্ঘটনা সংঘটিত হোৱাৰ ফলত দুগৰাকী যুৱক-যুৱতীৰ মৃত্যু হয়। এই বাতৰিটো আটাইবোৰ কাকতে প্ৰকাশ কৰাৰ লগতে অসমীয়া খবৰ কাকতৰ শিৰোনাম **বাহনৰ তীব্ৰগতিয়ে নিমিষতে প্ৰাণ কাঢ়িলে দুই যুৱক-যুৱতীৰ**।

কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে তাৱাঙত চীনা সৈন্যৰ সৈতে মত বিনিময় কৰা এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতে **Rijiju interacts with Chines Solders near Tawang** শিৰোনামাৰে প্ৰকাশ কৰিছে।

ৰাজ্যৰ বাহিৰত কৰ্মৰত যুৱকসকলৰ নিৰাপত্তাৰ বিষয় সন্দৰ্ভত দ্যা ছেণ্টিনেল কাকতে **Safty of Assam's youth working outside still a concern** শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত